আমাৰ অসম

গুৱাহাটী, শুকুৰবাৰ ■ ২ আহিন, ১৯৪৭ শক
■ ১৯ ছেপ্টেম্বৰ ২০২৫

# দিছপুৰ মহাবিদ্যালয়ত 'ৰূপালীম'

'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ১৮ ছেপ্টেম্বৰ : গুৱাহাটীৰ দিশপুৰ মহাবিদ্যালয় ড্ৰামাটিক ছ'চাইটিৰ উদ্যোগত অসমীয়া স্থাপত্যৰ নৱ মুল্যায়ণ কৰোঁতা, গীত, সুৰ-সম্পদ কথাছবি আৰু অসমীয়া নাট্য কলাত অভিনৱত্ব প্ৰদানকাৰী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ বহু সমাদৃত 'ৰূপালীম' নাটখন ২০ ছেপ্টেম্বৰৰ আবেলি ৪ বজাত প্ৰথম দৰ্শনী আৰু সন্ধিয়া ৬.৩০ বজাত দ্বিতীয় দৰ্শনী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হ'ব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰিবলগীয়া নাটখন প্ৰযোজনা ড° নৱজ্যোতি বৰাৰ আৰু পৰিচালনা কৰিব মাণিক আহমেদৰ। তদুপৰি অতিথি শিল্পী হিচাপে নাটখনত অভিনয় কৰিব জনপ্ৰিয় অভিনেতা দুলাল বেজবৰুৱা, পিপি প্ৰভাত দত্ত আৰু কেইবাজনো শিল্পীয়ে। নাটখনৰ সংগীত পৰিচালনা প্ৰতাপ শৰ্মা, সংগীতত সহযোগী মনদীপ মহন্ত, পোহৰ : দিলীপ গগৈৰ বুলি জানিবলৈ দি নাট্যানুষ্ঠান উপভোগ কৰিবলৈ সকলোকে আমন্ত্ৰণ জনাইছে দিছপুৰ ড্ৰামেটিক ছ'চাইটিৰ আহ্বায়ক ড° সঞ্জীৱ কুমাৰ শৰ্মাই।